# পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ আঁচনি ৰূপায়ণ সম্পৰ্কে জিলা ভিত্তিত পৰ্যালোচনা কৰিলে মন্ত্ৰী দলেয়ে—

**গুৱাহাটী, ২১ আগষ্টঃ** “গাঁৱৰ দুখীয়া জনসাধাৰণক উচিত সেৱা আগবঢ়োৱাৰ বাবেই পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ গঠন কৰা হৈছে। গতিকে এই ক্ষেত্ৰত হেমাহি কৰাসকলক ৰেহাই দিয়া নহ’ব।”—পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে ৰূপায়িত হৈ থকা আঁচনিসমূহৰ পৰ্যালোচনা কৰি বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলেয়ে এইদৰে কয়। তেওঁ আৰু কয় যে বৰ্তমান চৰকাৰে গাঁৱৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে আৰু সেয়ে গ্ৰামোন্নয়নৰ বাবে গ্ৰহণ কৰা প্ৰতিখন আঁচনিৰ যাতে ফলপ্ৰসূ আৰু ক্ষীপ্ৰ ৰূপায়ণ হয়, তাৰ বাবে বিশেষকৈ ক্ষেত্ৰীয় পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীসকল অধিক সজাগ হোৱাৰ লগতে নিষ্ঠাৰে কাৰ্য নিৰ্বাহ কৰিব লাগিব আৰু তেওঁলোকে কৰ্তব্য সম্পাদন কৰোঁতে গাঁৱৰ দুখীয়া জনসাধাৰণৰ প্ৰতি থকা দায়বদ্ধতা অনুভৱ কৰিব লাগিব।

উল্লেখযোগ্য যে গ্ৰামোন্নয়নৰ আঁচনিসমূহৰ ৰূপায়ণ ত্বৰান্বিত কৰাৰ বাবে বিভাগৰ বিভিন্ন ন ন পদক্ষেপ গ্ৰহণ কৰাৰ উপৰি তৃণমূল পৰ্যায়ত পৰ্যালোচনা কৰাৰ ব্যৱস্থা কৰা হৈছে। এই অনুসৰি প্ৰতিগৰাকী মুখ্য কাৰ্যবাহী বিষয়া, প্ৰকল্প সঞ্চালকৰ উপৰি জিলাৰ প্ৰতিটো উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াসকলৰ উপস্থিতিত ১৮ আগষ্টৰ পৰা আজিলৈ তিনিদিনীয়াকৈ পৰ্যালোচনা সভা অনুষ্ঠিত কৰা হৈছিল। বিভাগৰ আয়ুক্তালয়ৰ সভাকক্ষত আয়োজিত হোৱা এই সভাত প্ৰতিখন জিলাৰ কাৰ্যাৱলী পৃথকে পৃথকে পৰ্যালোচনা কৰা হয়। বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কা, আয়ুক্ত ডাঃ পি অশোক বাবু, সচিব নজৰুল ইছলামৰ লগতে অন্যান্য উচ্চ পৰ্যায়ৰ বিষয়া আৰু কৰ্মচাৰীসকলৰ উপস্থিতিত মন্ত্ৰী দলেয়ে প্ৰতিখন আঁচনি সম্পৰ্কত বিতংভাৱে পৰ্যালোচনা কৰি ক্ষেত্ৰীয় পৰ্যায়ত থকা খুটি-নাটিসমূহ পোহৰলৈ আনি তাৰ ক্ষীপ্ৰ সমাধানৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণৰ বাবে নিৰ্দেশনা দিয়ে।

এন এছ এ পিৰ পেঞ্চনৰ ধন হিতাধিকাৰীৰ একাউণ্টলৈ পোনপটীয়াকৈ দিয়াৰ ব্যৱস্থা কৰোঁতে প্ৰতিখন গাঁও পঞ্চায়তে PFMS ত ৰেজিষ্ট্ৰেচন নোহোৱাকৈ ৰৈ যোৱা হিতাধিকাৰীসকলৰ ক্ষেত্ৰত থকা আসোঁৱাহসমূহ অহা ৭ দিনৰ ভিতৰত সমাধান কৰিবলৈ পৰ্যালোচনা কালত নিৰ্দেশ দিয়া হয়। আনহাতে অহা ২ অক্টোবৰত আৰম্ভ হ’বলগীয়া ৰাজ্যিক সাৰ্বজনীন বৃদ্ধ পেঞ্চনৰ বাবেও তৎকালীনভাৱে হিতাধিকাৰীৰ সম্পূৰ্ণ তালিকা দিবলৈ সকলোকে নিৰ্দেশ দিয়া হয়।

পি এম এ ৱাই-জিৰ অধীনত ৰাজ্যখনে ইতিমধ্যে লাভ কৰা আৱাসগৃহসমূহৰ নিৰ্মাণৰ কাম খৰতকীয়া কৰাৰ বাবে বিভিন্ন নিৰ্দেশনা দিয়া হয়। ইয়াৰ বাবে ৯টা ভাগত সকলোবোৰ ঘৰৰ নিৰ্মাণৰ পৰ্যায় ভাগ কৰি সেই মতে নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ অৰ্থে কাৰ্যব্যৱস্থা ল’বলৈ নিৰ্দেশ দিয়া হয়। আনহাতে এই আঁচনিৰ অধীনৰ ভূমিহীন হিতাধিকাৰীসকলৰ বাবে তৎকালীনভাৱে ভূমিৰ ব্যৱস্থা কৰিবলৈও নিৰ্দেশ দিয়া হয়।

এম জি এন ৰেগাৰ ক্ষেত্ৰতো ২০১৬-১৭ বৰ্ষত হাতত লোৱা অথচ এতিয়াও অসম্পূৰ্ণ হৈ থকা আঁচনিসমূহ ৫টা ভাগত বিভক্ত কৰি অহা এমাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে ভাৰত চৰকাৰে বান্ধি দিয়া নিয়ম মতে এম জি এন ৰেগাৰ অধীনত প্ৰাকৃতিক সম্পদ ব্যৱস্থাপনাৰ ক্ষেত্ৰত তৎকালীনভাৱে শতকৰা ৬৫ ভাগ আঁচনি গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হয়।

ইয়াৰোপৰি বিভাগৰ অন্যান্য বিষয়সমূহ যেনে জনসাধাৰণৰ ওজৰ-আপত্তি নিষ্পত্তিকৰণ, হিচাব পৰীক্ষকৰ আপত্তি নিষ্পত্তিকৰণ আদি সম্পৰ্কতো পৰ্যালোচনা কৰি সেই মতে কাৰ্যব্যৱস্থা ল’বলৈ নিৰ্দেশ দিয়া হয়। উল্লেখযোগ্য যে এই পৰ্যালোচনা কালত ক্ষেত্ৰীয় বিষয়াসকলৰ গ্ৰামোন্নয়নৰ আঁচনি ৰূপায়ণৰ নিয়ম-নীতি সন্দৰ্ভত থকা পৰিপক্কতা সম্পৰ্কতো কুইজৰ মাধ্যমেৰে বুজ লোৱা হয়। এনেধৰণৰ তৃণমূল পৰ্যায়ত কৰা পৰ্যালোচনাই আঁচনি ৰূপায়ণত অধিক স্বচ্ছতা অনাৰ লগতে ৰূপায়ণ খৰতকীয়া কৰিব বুলি আশা কৰা হৈছে।

*এম আৰ ডি/২১/৮/১৮-ইং*